# 2015

## ASSAMESE

## ( Major )

Paper : 1.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) 'শ্ৰীকৃষ্ণকীৰ্তন'ৰ ৰচক কোন ?

(খ) 'শূন্যপুৰাণ' কোনে ৰচনা কৰিছিল ?

(গ) দুৰ্গাবৰ কায়স্থই লিখা এখন গ্ৰন্থৰ নাম লিখা।

(ঘ) প্ৰাক্-শংকৰী যুগৰ যুদ্ধকাব্য প্ৰণেতা শ্ৰেষ্ঠ কবিগৰাকীৰ নাম কি ?

(ঙ) 'বধকাব্য'ৰ ৰচক কোন ?

(চ) 'পাঞ্চালী বিবাহ' কি বিষয়ক গ্ৰন্থ ?

(ছ) নিচুকণি গীতৰ আৰ্হিত ৰচনা কৰা শ্ৰীধৰ কন্দলীৰ গ্ৰন্থখনৰ নাম কি ?

(জ) বৌদ্ধধৰ্মৰ দুটা ভাগ—সহজযান আৰু বজ্ৰযান। চৰ্যাপদসমূহ কোনটো পন্থৰ ধৰ্ম-সাধনৰ গীত?

(ঝ) চৰ্যাপদসমূহ বৌদ্ধধৰ্মৰ কোনটো সাধন পন্থাৰ লগত জড়িত?

(ঞ) 'পুচ্ছিঅ' শব্দৰ অৰ্থ কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) "খ্ৰীষ্টীয় ৮ম শতিকাৰ পদ্মবজ্ৰৰ ৰচনা 'হে বজ্ৰতন্ত্ৰ'ত চাৰিখন পবিত্ৰ পীঠৰ উল্লেখ আছে।" পীঠ চাৰিখনৰ নাম কি কি?

(খ) 'সুকনান্নী' বুলিলে কি বুজা?

(গ) ৰামসৰস্বতীক কিয় 'মহাভাৰতৰ কবি' বুলি কোৱা হয়?

(ঘ) ইয়াত "মানুহ দেৱতালৈ পৰিণত হৈছে, আৰু দেৱতা সাধাৰণ মানুহৰ শৰীৰলৈ নামি আহিছে"। তোমাৰ পাঠৰ কোনগৰাকী কবিৰ, কোনখন গ্ৰন্থ সন্দৰ্ভত এই মন্তব্য কৰা হৈছে?

(ঙ) আহোম যুগত ৰচিত দুখন ব্যৱহাৰিক জ্ঞানৰ পুথিৰ নাম লিখা।

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক)
সঅল সমাহিঅ কাহি কৰিঅই।
সুখ-দুখেতে নিচিত মৰিআই॥

(খ)
জাই যুতি বকুল বন্দুলি কৰ্ণিকাৰ।
কাঞ্চন তগৰ কুন্দ শেৱালি মন্দাৰ॥
অশোক পলাশ ফুলি গৈল হিসাহিসি।
নাগেশ্বৰ চম্পক ফুলিল অহৰ্নিশি॥

(গ) সুৰভি-শীতল বহে মলয়া পৱন ।
তাহাত ভ্ৰমিয়া ফুৰে যত পক্ষীগণ॥
ভ্ৰমি ভ্ৰমি ভ্ৰমৰা ভুঞ্জয় মধুৰস ।
দেখি ৰাঘৱৰ বৰ মিলিলা সন্তোষ॥

(ঘ) হৰিৰ নিবাসে দশগুণে গৈল জলি ।
সাক্ষাতে লক্ষ্মীৰ সিটো ভৈল ক্ৰীড়াস্থলি॥

(ঙ) নাহি আদি অন্ত যাৰ স্বৰূপ আকাৰ ।
হেন দেৱ অসুৰ বধিতে অৱতাৰ॥

(চ) তাৰ নাম শুনি ঘুমটি নাসয়
ভয়ে কম্পে মোৰ বুক ।
দেখিলে লৱৰি পলাইবাক পাৰি
সত্বৰে চিনোৱা মোক॥

৪ । তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) প্ৰাচীন অসমীয়া কবিতাৰ বিশেষত্বসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰা ।

*অথবা*

প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ নাম লিখি যি কোনো এজন কবিৰ কাব্যিক প্ৰতিভাৰ বিষয়ে আলোচনা কৰা ।

(খ) লুইপাদৰ 'কাআ তৰুবৰ' শীৰ্ষক চৰ্যাটিৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা যুগুত কৰা ।

*অথবা*

মাধৱ কন্দলিৰ 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটিত প্ৰাকৃতিক শোভা-সৌন্দৰ্যৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, বিচাৰ কৰা ।

(গ) শংকৰদেৱৰ 'নন্দোৎসৱ' কাব্যাংশ ভাগৱতৰ কোনটো স্কন্ধৰ পৰা গ্ৰহণ কৰা হৈছে? কাব্যাংশই ভাৰতীয় উৎসৱ-অনুষ্ঠানৰ চিত্ৰখনি কেনেদৰে সজীৱ কৰি তুলিছে তাৰ এটি বৰ্ণনা দিয়া।

অথবা

শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' কবিতাত কৃষ্ণৰ শিশুসুলভ ৰূপ কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ঘ) 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চৈত্ৰাৱলী চতুৰ্দ্দশীৰ মোট খেলা' কবিতাটিৰ এটি বৈশিষ্ট্যমূলক আলোচনা যুগুত কৰা।

অথবা

চিত্ৰলেখাই স্বৰ্গ, মৰ্ত্ত্য, পাতালৰ দেৱতা, ৰজা, গন্ধৰ্ব, কিন্নৰ আদিৰ চিত্ৰ কেনেদৰে অংকন কৰিছিল, পীতাম্বৰৰ 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটিৰ আধাৰত আলোচনা কৰা।

★★★